REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-11-2023
Time : 1715 Hrs.

**ASSAMESE EVENING BULLETIN**

গুণগত স্বাস্থ্য সেৱাৰ মান নিশ্চিত কৰাৰ লক্ষ্যৰে আজিৰে পৰা ২২ নৱেম্বৰলৈ ৰাজ্যজুৰি দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হৈছে। চিকিৎসা প্ৰতিষ্ঠানসমূহত থকা অভাৱ নিৰীক্ষণৰ লগতে ভাৰতীয় জনস্বাস্থ্য মান, ২০২২ অনুসৰি আন্তঃগাঁথনি শক্তিশালী আৰু উন্নয়ন ঘটোৱাৰ উদ্দেশ্য আগত ৰাখি অনুষ্ঠিত কৰিবলৈ ওলোৱা এই উৎসৱত ৰাজ্যৰ ২২ খন জিলা হাস্পতাল, ১৫ খন মহকুমা অসামৰিক চিকিৎসালয়, ২১৩ খন সামুহিক স্বাস্থ্য কেন্দ্ৰ, আৰু এহেজাৰ ১১ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সামৰি লোৱা হ'ব। এই স্বাস্থ্য প্ৰতিষ্ঠানসমূহক দুটা পৰ্যায়ত মূল্যায়ন কৰা হ'ব। ইয়াৰে বহিঃমূল্যায়ন পৰ্যায়ত সাংসদ, বিধায়ক, প্ৰশাসনিক বিষয়া, মহাবিদ্যালয়ৰ অধ্যাপক, চিকিৎসক অথবা চিকিৎসা মহাবিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষাৰ্থীৰ মাজৰ পৰা যিকোনো দুগৰাকী মূল্যায়নকাৰী থাকিব। তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্যসেৱা উৎসৱৰ মূল্যায়নকাৰীসকলে পূৰ্ব নিৰ্ধাৰিত তালিকা অনুসৰি স্বাস্থ্যকেন্দ্ৰসমূহৰ মূল্যায়ন সম্পন্ন কৰিব। এই তিনিদিনে উৎসৱৰ বাবে মুঠ ৪৩০টা দলক নিয়োগ কৰা হ'ব।

ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে কামৰূপ মহানগৰৰ ৫২ টা স্বাস্থ্যকেন্দ্ৰত আজিৰপৰা দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্যসেৱা উৎসৱ অনুষ্ঠিত হৈছে। এই উৎসৱত স্বাস্থ্যকেন্দ্ৰসমূহক আন্তঃগাঁথনি, মানৱসম্পদ আৰু সেৱা প্ৰদানৰ ভিত্তিত মূল্যায়ন কৰা হ'ব। আজি বহিঃমূল্যায়ক হিচাপে বিদ্যালয় শিক্ষা বিভাগৰ যুটীয়া সচিব তথা প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে ক্ষেত্ৰীৰ সামূহিক স্বাস্থ্যকেন্দ্ৰ, বিশেষ টাস্ক ফ'ৰ্চৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰুণা নেওগে মহানগৰীৰ চুনচালি নগৰীয়া স্বাস্থ্যকেন্দ্ৰ পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে মহানগৰৰ এখন জিলা চিকিৎসালয়, এখন সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, দুখন এফ আৰ ইউ আৰু ৪৮ খন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত এইবেলি স্বাস্থ্যসেৱা উৎসৱ অনুষ্ঠিত হ'ব।

দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা উৎসৱত চিৰাং জিলাৰ মুঠ ২৮ খন চিকিৎসালয়ৰ মূল্যায়ন কৰা হ'ব। এই উপলক্ষে আজি কাজলগাঁৱত স্বাস্থ্য সেৱা উৎসৱৰ মুকলি অনুষ্ঠান অনুষ্ঠিত হয়। চিকিৎসালয় নিৰীক্ষণ কালত বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ নিৰীক্ষক চিকিৎসকৰ লগতে এটি দলে তিনিদিন ধৰি চিকিৎসালয়সমূহ নিৰীক্ষণ কৰিব।

গোৱালপাৰা জিলাতো আজিৰপৰা তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্যসেৱা উৎসৱ অনুষ্ঠিত হৈছে। এই কাৰ্যসূচীৰে জিলাখনৰ ৪৫ খন চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানক সামৰি ল'ব। তিনিদিনীয়া কাৰ্যসূচীৰ জৰিয়তে প্ৰতিদিনে ১৫ খনকৈ স্বাস্থ্য প্ৰতিষ্ঠানৰ আন্তঃগাঁথনি উন্নয়ন, চিকিৎসক-কৰ্মচাৰীৰ সংখ্যা, চিকিৎসাৰ মান আদিৰ দিশ পৰ্যবেক্ষণ কৰিবলৈ প্ৰশাসনে দুজনীয়া প্ৰতিনিধিৰে ১৫ টাকৈ দল গঠন কৰিছে। এগৰাকী বিশেষজ্ঞ চিকিৎসক আৰু এগৰাকী প্ৰশাসনিক বিষয়া থকা দলকেইটাই নিৰ্ধাৰিত ৪৫ খন চিকিৎসালয়ৰ বিভিন্ন দিশ মূল্যায়ন কৰিব। ইয়াৰ উপৰি ৰাজ্য চৰকাৰেও প্ৰতিষ্ঠানসমূহ নিৰীক্ষণ কৰিবলৈ জিলাখনত বিভিন্ন বিভাগৰ ৮ গৰাকী উচ্চপদস্থ প্ৰশাসনিক বিষয়াক নিয়োগ কৰিছে।

০০০০০০

ৰাজ্যৰ সুপ্ত ক্ৰীড়া প্ৰতিভাসমূহক উলিয়াই অনাৰ বাবে আয়োজিত খেল মহাৰণৰ পৰৱৰ্তী পৰ্যায়ৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি এখন বৈঠকত মিলিত হয়। এই বৈঠকত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ লগতে কেইবাগৰাকীও বিধায়ক, জিলাসমূহৰ আয়ুক্ত, মহকুমাধিপতি আৰু জিলা ক্ৰীড়া বিষয়াসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। বৈঠকত খেল মহাৰণ সন্দৰ্ভত বিভিন্ন বিষয় চালিজাৰি চাই ব্যৱস্থা গ্ৰহণৰ বাবে সংশ্লিষ্টসকলক নিৰ্দেশ দিয়া হয়।

000000

প্ৰথম অন্ন সেৱা সপ্তাহ উপলক্ষে অসম চৰকাৰে যোৱা ১০ৰ পৰা ১৬ নৱেম্বৰৰ সময়ছোৱাত এক লাখ ৰেচন কাৰ্ড থকা লোকক খাদ্য সামগ্ৰী বিতৰণ কৰে। এই সপ্তাহত ৯৬ শতাংশ ৰেচনকাৰ্ড থকা লোকে বিনামূলীয়া খাদ্য সামগ্ৰী লাভ কৰিছে। জিলাসমূহৰ ভিতৰত কামৰূপ মহানগৰ জিলাত সৰ্বাধিক ৯৮ দশমিক ৭-৩ শতাংশ, মাজুলীত ৯৮ দশমিক ৫-৮ শতাংশ আৰু হোজাই জিলাত ৯৮ দশমিক ০-২ শতাংশ লোকে খাদ্য সামগ্ৰী লাভ কৰে। ৯ দিনৰ ভিতৰত ১ দশমিক ১-০ মেট্ৰিকটন খাদ্য সামগ্ৰী বিতৰণৰ দ্বাৰা অভিলেখ সৃষ্টি কৰা হৈছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। ইফালে ৰাজ্যৰ কেবিনেট বৈঠকত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি এতিয়াৰে পৰা প্ৰতিমাহৰ ১ৰ পৰা ১০ তাৰিখৰ ভিতৰত অন্ন সেৱা সপ্তাহৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

0000000

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গুৱাহাটীৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানত প্ৰধানমন্ত্ৰী বন ধন যোজনাৰ অধীনত পুঁজি বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি ৮৪ টা বন ধন গোটক ১ কোটি ৮৪ লাখ টকাৰ সাহায্য বিতৰণ কৰে। এই আঁচনিৰ অধীনত ৬৮ টা বন ধন গোটক ২ লাখ ৪০ হাজাৰকৈ কাৰ্যকৰী মূলধন আৰু ১৬ টা গোটক সহায়ক মূলধন ৰূপে ১ লাখ ১২ হাজাৰ ৫০০ টকাকৈ বিতৰণ কৰা হয়। বন ধন যোজনাই দেশৰ জনজাতীয় সম্প্ৰদায়ৰ জীৱন-জীৱিকাৰ উন্নতি সাধনৰ লগতে সমূদায়টোৰ সামগ্ৰিক কল্যাণ সাধন কৰিছে বুলি তেওঁ উল্লেখ কৰে।

0000000

সমাপ্ত